PGAS S2 01

অসমীয়া সাহিত্যৰ বুৰঞ্জী

(অৰুণোদই যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)

দ্বিতীয় ষাণ্মাসিক

অসমীয়া

খণ্ড ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° খগেশ সেন ডেকা (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৮	ৰুমী দলৈ, সোণাপুৰ মহাবিদ্যালয়, সোৰণাপুৰ
৯ আৰু ১০	ড° প্রণতি শর্মা গোস্বামী, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী
১১, ১২ আৰু ১৩	ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়
১৪	ড° কনেশ্বৰ বৰুৱা, গোসাইগাঁও মহাবিদ্যালয়, বাক্সা

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ অধ্যাপক উমেশ ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ৯, ১০ আৰু ১৪)
ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ৮, ১১, ১২ আৰু ১৩)

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০১৮

ISBN : 978-81-934669-5-7

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

উপ-মুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

খণ্ড পৰিচয় (খণ্ড ২) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ড। পাঠ্যবিষয়ৰ অষ্টম অধ্যায়ৰ শিৰোনাম 'জয়ন্তী যুগৰ অসমীয়া সাহিত্য'। *জয়ন্তী* আলোচনীখনৰ প্ৰকাশৰ লগত জড়িত এই গুৰুত্বপূৰ্ণ কালছোৱা অসমীয়া সাহিত্য, সমাজ আৰু ৰাজনীতিৰ লগত জড়িত এটা গুৰুত্বপূৰ্ণ কাল। বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰত হোৱা পৰিৱৰ্তন আৰু সামাজিক জীৱনত সেই পৰিৱৰ্তনে পেলোৱা প্ৰভাৱে সমসাময়িক সাহিত্য শ্ৰেণীক কি গতি-প্ৰকৃতি প্ৰদান কৰিছিল তাৰ মনোজ্ঞ লেখ এই অধ্যায়ত পাব। অধ্যায় নৱম আৰু দশমত ক্ৰমে 'ৰামধেনু যুগ' ৰূপে প্ৰখ্যাত যুগটোত প্ৰকাশিত হোৱা আলোচনী *ৰামধেনুত* যিসকল লেখকে অৰিহণা আগবঢ়াইছিল, তাৰ বিৱৰণৰ লগতে সেই শ্ৰেণীৰ সাহিত্যৰ বৈশিষ্ট্য আৰু ৰামধেনু যুগটো কি কি ধাৰাই প্ৰভাৱিত কৰিছিল তাৰ লেখ পাব। পাঠ্যবিষয়ৰ একাদশ, দ্বাদশ আৰু ত্ৰয়োদশ অধ্যায়ত সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা সন্নিৱিষ্ট হৈছে। ইয়াৰ অন্তৰ্গত একাদশ অধ্যায় 'সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ প্ৰথম পৰ্ব-১ (১৯৭০-১৯৯০)' আৰু দ্বাদশ অধ্যায় 'সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ প্ৰথম পৰ্ব-২ (১৯৭০-১৯৯০)'ত বিংশ শতিকাৰ সপ্তম দশকৰ পৰা অষ্টম দশকৰ শেষলৈকে অসমীয়া সাহিত্যৰ যি গতি-প্ৰকৃতি তাৰ আভাস পোৱা গ'ল। ত্ৰয়োদশ অধ্যায় 'সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ দ্বিতীয় পৰ্ব (১৯৯০-২০০০)'ত বিংশ শতিকাৰ শেষ দশকৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিৰ লগতে ইয়াৰ বৈশিষ্ট্য আৰু ধাৰাসমূহৰ মনোজ্ঞ আলোচনা পঢ়িবলৈ পাব। পাঠ্যবিষয়ৰ চতুৰ্দশ তথা শেষ অধ্যায় 'অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকল'ৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ধাৰণা লাভ কৰিব পাৰিব। সেয়া হৈছে অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিৰ লেখযুক্ত অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ আৰু তাৰ আঁৰত থকা বিদ্বান ব্যক্তিত্বশীল পুৰুষৰ বিষয়েও জানিব পাৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ জয়ন্তী যুগৰ অসমীয়া সাহিত্য ২০৫-২৪০

জয়ন্তী যুগৰ সাহিত্যৰ পটভূমি; জয়ন্তী আৰু অসমীয়া সাহিত্য; জয়ন্তী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা; জয়ন্তী যুগৰ প্ৰধান সাহিত্যিকসকল

অধ্যায় ৯ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য-১ ২৪১-২৫৬

ৰামধেনু যুগৰ পটভূমি; ৰামধেনু যুগৰ অসমীয়া সাহিত্য; ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ধাৰা ঃ প্ৰগতিবাদী বা সমাজবাদী ধাৰা, হাস্য-ব্যঙ্গৰ ধাৰা, আধুনিকতা আৰু বাস্তৱবাদী ধাৰা, মনঃস্তাত্ত্বিক ধাৰা, ৰাজনৈতিক আৰু অৰ্থনৈতিক ধাৰা, অস্তিত্ববাদী ধাৰা আৰু চেতনাস্ৰোত পদ্ধতি

অধ্যায় ১০ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য-২ ২৫৭-২৮১

ৰামধেনু যুগৰ সাহিত্যিকসকল

অধ্যায় ১১ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ প্ৰথম পৰ্ব (১৯৭০-১৯৯০)-১ ২৮২-২৯৯

সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ পটভূমি; সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰা; সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ

অধ্যায় ১২ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ প্ৰথম পৰ্ব (১৯৭০-১৯৯০)-২ ৩০০-৩২০

সাম্প্ৰতিক যুগৰ (১৯৭০-১৯৯০) সাহিত্যিকসকল

অধ্যায় ১৩ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ দ্বিতীয় পৰ্ব (১৯৯০-২০০০) ৩২১-৩৩৭

সাম্প্ৰতিক যুগৰ আসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ পটভূমি; সাম্প্ৰতিক যুগৰ আসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ ধাৰা তথা বৈশিষ্ট্যসমূহ; সাম্প্ৰতিক যুগৰ আসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ সাহিত্যিকসকল

অধ্যায় ১৪ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকল ৩৩৮-৩৬৯

অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ চমু পৰিচয় ঃ দেবেন্দ্ৰনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা, বিৰিঞ্চি কুমাৰ বৰুৱা, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ সম্পাদকসকল; অসমীয়া সাহিত্যৰ যুগ বিভাজন; অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ ঃ দেবেন্দ্ৰনাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*, হেমচন্দ্ৰ গোস্বামী সম্পাদিত *অসমীয়া সাহিত্যৰ চানেকি*, ডিম্বেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ বুৰঞ্জী সভাৰ*, মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, বিৰিঞ্চি কুমাৰ বৰুৱাৰ *History of Assamese Literature*, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*

প্ৰসঙ্গ পুথি ৩৭০-৩৭৪